# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 28-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooooo

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ আমৰেলিত প্ৰায় ৪ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰাৰ লগতে আন কেইটামান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত ধনন্তৰী জয়ন্তী আৰু নৱম আয়ুৰ্বেদ দিৱস উপলক্ষে স্বাস্থ্য খণ্ডৰ সৈতে জড়িত ১২ হাজাৰ ৮৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

৩।	কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কৈছে যে ভাৰত সকলো ক্ষেত্ৰতেই দ্ৰুতভাৱে আগবাঢ়িছে আৰু দেশৰ যুৱ প্ৰজন্মই দেশৰ এই বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

৪।	কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পিয়ুছ গোৱেলে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে চৌদি আৰৱ ভ্ৰমণ কৰিব। ***আৰু***

৫।	মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে ২৫ গৰাকী আৰু এন চিপিয়ে ৭ টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ আমৰেলিত প্ৰায় ৪ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰাৰ লগতে আন কেইটামান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই উদ্দেশ্যে আয়োজিত সমাবেশক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে জল সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁ কয় যে, বিজেপি নেতৃত্বাধীন চৰকাৰৰ সময়ছোৱাত গুজৰাটে বৃহৎ পৰিৱৰ্তন আৰু বহুমুখী বিকাশ প্ৰত্যক্ষ কৰিবলৈ সক্ষম হৈছে আৰু এই সময়ছোৱাত সৌৰাষ্ট্ৰৰ অত্যন্ত শুকান অঞ্চলসমূহলৈও পানীৰ যোগান সম্ভৱ হৈছে আৰু ইয়ে কৃষকসকলৰ সমৃদ্ধিত সহায় কৰিছে। শ্ৰীমোদীয়ে সৌৰাষ্ট্ৰ অঞ্চলত পট পৰিৱৰ্তনকাৰী হিচাপে প্ৰমাণিত হোৱা শাওণী যোজনাকে ধৰি চৰকাৰৰ বিভিন্ন উদ্যম সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয় যে, আজি শুভাৰম্ভ কৰা প্ৰকল্পসমূহে ৰাজ্যখনৰ সৌৰাষ্ট্ৰ, কচ্ছ, জুনাগড়, পোৰবন্দৰ আৰু বোটাড জিলাৰ লোকসকলক বাৰুকৈয়ে লাভান্বিত কৰিব। তেওঁ কয় যে, নাৰদাৰ পৰা চাৰন্দ পৰ্যন্ত পাইপলাইন প্ৰকল্পই বোটাড, আমৰেলি, জুনাগড়, ৰাজকোট আৰু পোৰবন্দৰ জিলাৰ ১২ শৰো অধিক গাঁৱৰ আনুমানিক ৬৭ লাখ হিতাধিকাৰীলৈ ২৮ কোটি লিটাৰ অতিৰিক্ত পানী যোগান ধৰিব। তেওঁ লগতে ব্যাপক জল সংৰক্ষণৰ ক্ষেত্ৰত বিশিষ্ট উদ্যোগপতি চাৱজী ভাই ধালাকিয়াই গ্ৰহণ কৰা প্ৰচেষ্টাৰো শলাগ লয়।

আজি শুভাৰম্ভ কৰা গুৰুত্বপূৰ্ণ প্ৰকল্পসমূহৰ ভিতৰত ১০১ দশমিক ৪ কিলোমিটাৰ দৈৰ্ঘ্যৰভূজ-নলীয়া ৰেলগজ ৰূপান্তৰ প্ৰকল্প, ১৫১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ, ১৫১ (ক) নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৫১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন অংশৰ ৪ লেনযুক্তকৰণ প্ৰকল্পকে ধৰি ৭০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে আন কেইবাটাও

উন্নয়নমূলক প্ৰকল্প আছে। ভূজ নালিয়া ৰেলগজ ৰূপান্তৰ প্ৰকল্পই বাকী অন্যান্য ৰেল নেটৱৰ্কৰ সৈতে ব্ৰডগজ ৰেল যোগাযোগৰ সুবিধা প্ৰদান কৰিব। এই প্ৰকল্পটোৱে কচ্ছ অঞ্চলৰ পৰ্যটন বৃদ্ধিৰ লগতে নিয়োগৰ সুবিধাও বৃদ্ধি কৰিব। শ্ৰীমোদীয়ে আজি পৰ্যটনৰ সৈতে জড়িত  বিভিন্ন উন্নয়নমূলক উদ্যমৰো আধাৰশিলা স্থাপন কৰে। ০০০০

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত ধনন্তৰী জয়ন্তী আৰু নৱম আয়ুৰ্বেদ দিৱস উপলক্ষে স্বাস্থ্য খণ্ডৰ সৈতে জড়িত ১২ হাজাৰ ৮৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে ৭০ বছৰ আৰু তাতকৈ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সম্প্ৰসাৰিত স্বাস্থ্য সেৱাৰ সুবিধা মুকলি কৰিব। আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ সৈতে অতিৰিক্তভাৱে সংযোজিত এই উদ্যমে যিকোনো উপাৰ্জনৰ জ্যেষ্ঠ নাগৰিকসকলক স্বাস্থ্য সেৱাৰ সুবিধাৰে সামৰি ল'ব। স্বাস্থ্য তথা আন্তঃগাথনিৰ গুৰুত্বপূৰ্ণ বিকাশৰ লক্ষ্যৰে শ্ৰীমোদীয়ে কেইবাটাও স্বাস্থ্য সেৱাৰ প্ৰতিষ্ঠানৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ দেশৰ সৰ্বপ্ৰথম অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানৰ দ্বিতীয় পৰ্যায় মুকলি কৰিব। এই পৰ্যায়ত এখন পঞ্চকৰ্ম হস্পিতাল, এখন আয়ুৰ্বেদিক ফাৰ্মাচী, এটা কেন্দ্ৰীয় পুথিভঁড়াল আদিকে ধৰি বিভিন্ন  উন্নত সা-সুবিধা সামৰি লোৱা হৈছে। তেঁও লগতে মধ্যপ্ৰদেশৰ মন্দচোৰ, নিমজ আৰু চিৱনিত ৩ খন চিকিৎসা মহাবিদ্যালয় মুকলি কৰিব। ইয়াৰ উপৰি তেওঁ অসমৰ গুৱাহাটীৰ লগতে হিমাচল প্ৰদেশৰ বিলাসপুৰ, পশ্চিমবংগৰ কল্যাণী, বিহাৰৰ পাটনা, উত্তৰ প্ৰদেশৰ গোৰখপুৰ, মধ্য প্ৰদেশৰ ভূপাল আৰু নতুন দিল্লীত এইমছৰ বিভিন্ন সম্প্ৰসাৰিত সেৱা তথা সুবিধাৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে মধ্য প্ৰদেশৰ শিৱপুৰী, ৰটলাম, খান্দৱা, ৰাজগড় আৰু মন্দচোৰত ৫ খন নাৰ্চিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব।

০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কৈছে যে ভাৰত সকলো ক্ষেত্ৰতেই দ্ৰুতভাৱে আগবাঢ়িছে আৰু দেশৰ যুৱ প্ৰজন্মই এই বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তেওঁ লগতে কয় যে, এখন নতুন আৰু শক্তিশালী ৰাষ্ট্ৰ গঠনত যুৱক-যুৱতীসকলৰ গুৰুত্বপূৰ্ণ দায়িত্ব আছে। উত্তৰ প্ৰদেশৰ বাৰাণসীত আজি ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ ত্ৰয়োদশ সমাৱৰ্তন সমাৰোহত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে প্ৰতিষ্ঠানখনৰ গৱেষণা ক্ষমতা বৃদ্ধি কৰাৰ উদ্দেশ্যে ৪০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে প্ৰতিষ্ঠানখনৰ মুঠ এহেজাৰ ৯৫৪ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰে।

০০০

কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পিয়ুছ গোৱেলে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে চৌদি আৰৱ ভ্ৰমণ কৰিব। মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ উদ্দেশ্য হৈছে দেশ দুখনৰ মাজৰ কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰা আৰু বাণিজ্য, বিনিয়োগ তথা অৰ্থনৈতিক সহযোগিতাৰ ন-ন দিশ অন্বেষণ কৰা। এই ভ্ৰমণৰ সময়ত শ্ৰীগোৱেলে ৰিয়াধত আয়োজিত ভৱিষ্যত বিনিয়োগ উদ্যমৰ অষ্টম সংস্কৰণতো অংশগ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে চৌদি আৰৱৰ মন্ত্ৰীসকলৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হৈ শক্তি পৰিৱৰ্তন, ডিজিটেল পৰিৱৰ্তন আৰু বাণিজ্যিক সুবিধাসমূহ অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত সন্মিলিত প্ৰয়াস সন্দৰ্ভত আলোচনা কৰিব। শ্ৰীগোৱেলে লগতে কৃষি, খাদ্য সুৰক্ষা, শক্তি, প্ৰযুক্তি আৰু আন্তঃগাথনি আদি ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা অৰ্থনীতি আৰু বিনিয়োগ কমিটিৰ দ্বিতীয় মন্ত্ৰী পৰ্যায়ৰ বৈঠকত সহ অধ্যক্ষতা কৰিব।

০০০

মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে আজি ২৫ গৰাকী প্ৰাৰ্থীৰ তৃতীয়খন তালিকা প্ৰকাশ কৰিছে। দলটোৱে ভাছাই বিধানসভা সমষ্টিৰ বাবে স্নেহা প্ৰেমানাথ ডুবেক টিকট প্ৰদান কৰাৰ বিপৰীতে সুধাকৰ কোহালে পশ্চিম নাগপুৰ সমষ্টিত প্ৰতিদ্বন্দিতা আগবঢ়াব। সাৱনেৰ বিধানসভা সমষ্টিটোত আশীষ ৰঞ্জিত দেশমুখে প্ৰতিদ্বন্দিতা কৰিব। ভাৰতী লাভেকাৰে মুম্বাইৰ ভাৰ্চোৱাৰ পৰা প্ৰতিদ্বন্দিতা কৰাৰ বিপৰীতে লাতুৰ চহৰৰ পৰা অৰ্চনা পাটিল চাকুৰকাৰ, কৰনজাৰ পৰা সাই দাহাকে, আষ্ট্ৰিৰ পৰা সুৰেশ ধাছ আৰু উত্তৰ কাৰাদৰ পৰা মনোজ ঘোৰপাদে প্ৰতিদ্বন্দিতা কৰিব। দলটোৱে নন্দদ সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে ড০ সন্তুক হাৱাৰ্দেৰ নাম ঘোষণা কৰিছে। শৰৎ পাৱাৰৰ নেতৃত্বাধীন এন চি পি দলে ৭ টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ চতুৰ্থখন তালিকা প্ৰকাশ কৰে। খানাপুৰৰ পৰা বৈভৱ পাটিল, কাতুলৰ পৰা সেলিল দেশমুখ আৰু মান সমষ্টিৰ পৰা প্ৰভাকৰ ঘৰ্গে প্ৰতিদ্বন্দিতা কৰিব।

০০০

গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি নতুন দিল্লীত ধান বনা কলসমূহৰ বাবে ভাৰতীয় খাদ্য নিগমৰ ওজৰ আপত্তি নিষ্পত্তিকৰণ ব্যৱস্থাৰ এটা মোবাইল এপ মুকলি কৰে। FCI GRS নামৰ এই মোবাইল এপটোৱে ধান বনা কলৰ মালিকসকলক ভাৰতীয় খাদ্য নিগমৰ সৈতে থকা তেওঁলোকৰ ওজৰ আপত্তিসমূহ সঠিক আৰু স্বচ্ছভাৱে নিষ্পত্তি কৰাত সহায় কৰিব। FCI GRS নামৰ মোবাইল এপটো হৈছে এই ক্ষেত্ৰত স্বচ্ছতা, দায়বদ্ধতা তথা অংশীদাৰসকলৰ সন্তুষ্টি বৃদ্ধিৰ উদ্দেশ্যে কেন্দ্ৰই গ্ৰহণ কৰা এক অন্যতম পদক্ষেপ। ই হৈছে সুশাসনৰ বাবে প্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত চৰকাৰৰ অবিৰত প্ৰয়াসৰ এটা অংশ।

০০০

আফগানিস্তানৰ উৰুজগান প্ৰদেশত আজি পুৱাৰ ভাগত এখন বাহন নদীত ডুব যোৱাৰ ফলত ৮ জন যাত্ৰী নিহত হৈছে। বাহনখনৰ গধুৰ ওজনৰ বাবে কাঠৰ দলংখন ভাঙি গৈছে বুলি জানিব পৰা গৈছে। দলঙৰ জৰাজীৰ্ণ অৱস্থা, অতিৰিক্ত বোজা, অসাৱধানতাৰে গাড়ী চলোৱা আদিয়েই হৈছে এই দুৰ্ঘটনাৰ মূল কাৰণ। যোৱা ৫ আক্টোবৰত আফগানিস্তানৰ নুৰিস্তান প্ৰদেশতো এখন যাত্ৰীবাহী বাহন খাৱৈত ডুৱ যোৱাৰ ফলত মহিলা শিশুকে ধৰি ৭ জন লোকে প্ৰাণ হেৰুৱাইছে।

০০০

নৌ সেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠিয়ে আজি উদ্ভাৱন আৰু গৱেষণাক উদগণি যোগোৱাৰ ক্ষেত্ৰত যুৱ উদ্যোগীসকলৰ অৱদান সন্দৰ্ভত আলোকপাত কৰে। নতুন দিল্লীত আজি ভাৰতীয় নৌ বাহিনীৰ নৌ উদ্ভাৱন আৰু স্বদেশীকৰণ সন্মিলন-স্বাৱলম্বনৰ শুভাৰম্ভ কৰি তেওঁ কয় যে, এই সন্মিলনত ভাৰতীয় বায়ু সেনা বাহিনী, স্থল সেনা বাহিনী, উপকূলৰক্ষী বাহিনী আৰু সীমান্ত সুৰক্ষা বাহিনীকে ধৰি বিভিন্ন সংস্থাসমূহৰ প্ৰায় ১১৫ খন বিপনী স্থাপন কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে, দুদিনীয়া এই সন্মিলনৰ উদ্দেশ্য হৈছে ভাৰতীয় নৌ বাহিনীৰ উদ্ভাৱন আৰু থলুৱাভাৱে বিকশাই তোলা বিভিন্ন উদ্যমৰ বিকাশ সাধন। এইবাৰৰ স্বাৱলম্বন কাৰ্যসূচীত কেইবাটাও কোম্পানী আৰু ষ্টাৰ্টআপে অংশগ্ৰহণ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ এই সন্মিলনত অংশগ্ৰহণ কৰিব। আকাশবাণীৰ সৈতে হোৱা কথাবতৰাত সন্মিলনৰ এগৰাকী অংশগ্ৰহণকাৰী অংশুমান চেটাৰ্জীয়ে প্ৰতিৰক্ষা উৎকৰ্ষ উদ্যমৰ বাবে চৰকাৰৰ উদ্ভাৱনসমূহৰ ভূয়সী প্ৰশংসা কৰে।

০০০

সমাপ্ত